# কেনেকৈ লিখা উচিত

## হোমেন বৰগোহাঞি

মাজে মাজে লেখকসকলক এটা প্ৰশ্ন সোধা হয় ঃ 'আপুনি কিয় লিখে?' সংসাৰত কৰিবলৈ আন বহুতো কাম থাকোঁতেও কিছুমান মানুহে অপৰিসীম কষ্ট স্বীকাৰ কৰিও কিয় যে লিখাৰ কামত ব্ৰতী হয়, সি নিশ্চয় এটা অতিশয় কৌতূহলোদ্দীপক প্ৰশ্ন; কিন্তু এই কৌতূহল কেৱল পাঠকসকলৰহে। তাৰ লগত লেখকৰ কোনো সম্পৰ্ক নাই। প্ৰত্যেক লেখকেই অন্তৰৰ এটা অনিবাৰ্য তাড়নাত লিখিবলৈ আৰম্ভ কৰে। 'মই কিয় লিখোঁ' — নিজকে এই প্ৰশ্ন সুধিবলৈ তেওঁৰ কাচিৎহে প্ৰয়োজন হয়। লেখকৰ পক্ষে যদি অতিশয় জৰুৰী আৰু গুৰুত্বপূৰ্ণ প্ৰশ্ন কিবা আছে, সেইটো 'মই কিয় লিখোঁ' নহয়; সেইটো হৈছে 'মই কেনেকৈ লিখা উচিত?' বেছিভাগ লেখকেই (অৰ্থাৎ লিখিবৰ কাৰণে যাৰ স্বাভাৱিক প্ৰতিভা আছে) লিখিবলৈ বুলি কাগজ-কলম উলিয়াই লৈয়েই প্ৰথম অৱস্থাত নিশ্চয় অথাই সাগৰত পৰা যেন অনুভৱ কৰে। তেওঁ কি লিখিব সেই কথা হয়তো তেওঁৰ ভালকৈয়েই জনা আছে, কিয় লিখিব সেই বিষয়েও মনত কোনো সন্দেহ নাই; কিন্তু আচল সমস্যা হ'ল — তেওঁ কেনেকৈ লিখিব? ৰাজমিস্ত্ৰীয়ে যেনেকৈ বিলাতী মাটিৰ সহায়েৰে ইটাৰ পিছত ইটা গাঁঠি পকা দেৱাল তৈয়াৰ কৰে, লেখকেও তেনেকৈ তেওঁৰ চিন্তা,অনুভূতি আৰু কল্পনাৰ সহায়েৰে শব্দৰ পিছত শব্দ গাঁঠি কবিতা বা গল্প বা প্ৰবন্ধ তৈয়াৰ কৰে; কিন্তু ৰাজমিস্ত্ৰীৰ কাৰণে এচটা ইটাৰ লগত আন এচটাৰ একো পাৰ্থক্য নাই। এফালৰ পৰা তেওঁ নিতান্ত যান্ত্ৰিকভাৱে ইটাবোৰ গাঁঠি গ'লেই হৈ গ'ল; কিন্তু লেখকৰ কাম ইমান সহজ নহয়। শব্দ অসংখ্য। তাতে আকৌ একেটা অৰ্থ বুজাবলৈ একাধিক শব্দ থাকে। কেৱল সেয়েই নহয়, বিন্যাসৰ গুণত সদৃশ অৰ্থবিশিষ্ট শব্দয়ো বেলেগ বেলেগ ব্যঞ্জনা আৰু ধ্বনিমাধুৰ্য লাভ কৰে। গতিকে লিখিবলৈ বহি বিশাল শব্দভাণ্ডাৰৰ পৰা সঠিক অৰ্থব্যঞ্জক আৰু চিত্তাকৰ্ষক কোনখিনি শব্দ বাছি উলিয়াব আৰু সেই শব্দবোৰ কিভাৱে বিন্যস্ত কৰিব --সেইটোৱেই প্ৰত্যেক লেখকৰ পক্ষে আটাইতকৈ ডাঙৰ সমস্যা। ৰবাৰ্ট লীণ্ডে কৈছে --"What is a writer? A man who enjoys shaping his sentence and has the capacity to do

so"। কোৱা বাহুল্য মাথোন যে বেছিভাগ লেখকেই বাক্য ৰচনা কৰি আনন্দ পালেও শক্তিশালী আৰু প্ৰকৃত সাহিত্য গুণবিশিষ্ট বাক্য ৰচনা কৰিবৰ ক্ষমতা বেছিভাগ লেখকৰে নাই। শক্তিশালী গদ্য-লেখক বুলি যিসকল লোকৰ নাম আছে, তেওঁলোকৰ সাহিত্য-সাধনাৰ ইতিহাস পৰ্যালোচনা কৰি চালে আমি দেখা পাম যে তেওঁলোকৰ লেখক জীৱনৰ প্ৰথমছোৱা কাল শব্দৰ লগত কুস্তী যুদ্ধ কৰিয়েই অতিবাহিত হয়, অৰ্থাৎ 'কি লিখিম' বা 'কিয় লিখিম' নহয় —'কেনেকৈ লিখিম' — এইটোৱেই হ'ল তেওঁলোকে সন্মুখীন হ'ব লগা আটাইতকৈ কঠিন সমস্যা।

'কেনেকৈ লিখা উচিত' — এই মৌলিক সমস্যাটোৰ সমাধান কৰিবলৈ একোজন লেখকে যে কি অপৰিসীম কষ্ট কৰিব লগা হয় — তাক তলত দিয়া উদাহৰণটোৰ পৰাই উপলব্ধি কৰিব পাৰি। উইলিয়াম হেজ্‌লিট্ ইংৰাজী সাহিত্যৰ শ্ৰেষ্ঠ গদ্য-লেখকসকলৰ অন্যতম। সেই হেজ্‌লিটেই তেওঁৰ লেখক জীৱনৰ আৰম্ভণিৰ কথা স্মৰণ কৰি কৈছেঃ " যি বিমূৰ্ত ভাবনাৰ সমুদ্ৰত মই মগ্ন হৈ আছিলোঁ, তাৰ মাজৰ পৰা কেতবোৰ শব্দ, চিত্ৰ-কল্প আৰু পৰ্যবেক্ষণ নিষ্কাশন কৰিবলৈ বছৰৰ পিছত বছৰ ধৰি বৃথাই চেষ্টা কৰি মই অৱশেষত এই সকলোবোৰ নিষ্ফল চেষ্টা বুলি বিসৰ্জন দিলোঁ আৰু সমুখত মেলি লোৱা শূন্য কাকতৰ ওপৰত নৈৰাশ্যৰ চকুপানী পেলাবলৈ ধৰিলোঁ।" প্ৰত্যেক চিৰিয়াছ গদ্য-লেখকেই জীৱনত এবাৰ নহয় এবাৰ এই অগ্নি পৰীক্ষাৰ সন্মুখীন হয় আৰু এই পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতহে তেওঁৰ কাপেদি শক্তিশালী গদ্য নিৰ্গত হয়। কবিতাৰ ঘাই উৎপাদন কল্পনা আৰু অনুভূতি; সেই কাৰণে তাৰ প্ৰকাশ স্বতঃস্ফূৰ্ত হ'ব পাৰে; কিন্তু গদ্য মূলতঃ চিন্তাৰ বাহন। গতিকে অশেষ পৰিশ্ৰম আৰু চিন্তা কৰিহে তাক নিখুঁত কৰি তোলা সম্ভৱ হয়। সেইকাৰণে একোজন লেখকৰ জীৱনত গদ্য-ৰীতিয়ে সদায় ক্ৰমবিৱৰ্তনৰ মাজেদিহে সম্পূৰ্ণতাৰ ফালে আগবাঢ়ে আৰু দীৰ্ঘকালৰ অনৰ্গল সাধনাৰ ফলতহে একোজন লেখকৰ ব্যক্তিগত বৈশিষ্ট্যৰে সমুজ্জ্বল উৎকৃষ্ট গদ্য-ৰীতি উদ্ভাৱন কৰা সম্ভৱ হৈ উঠে।

কুমলীয়া বয়সত সকলো লেখকৰ মনতে শব্দালংকাৰৰ প্ৰতি এটা স্বাভাৱিক মোহ থাকে। এজন নৱোদ্ভিন্ন-যৌৱন যুৱকৰ দৃষ্টিত তিৰোতাৰ দৈহিক ৰূপটোৱেই প্ৰধান হৈ দেখা দিয়ে। সেই বয়সত তিৰোতাৰ চৰিত্ৰ বা ব্যক্তিত্বৰ অন্যান্য অত্যাৱশ্যকীয় গুণবোৰলৈ চকু দিবলৈ যুৱকৰ ধৈৰ্য নাথাকে; কিন্তু সেই তিৰোতাৰ লগত বহু বছৰ বিবাহিত জীৱন কটাব লগা হ'লেহে যুৱকজনে লাহে লাহে আৱিষ্কাৰ কৰে যে এটা সুখী বিবাহিত জীৱন গঢ়ি তুলিবলৈ কেৱল দৈহিক ৰূপ বা জাক-জমকেই যথেষ্ট নহয়। তাৰ কাৰণে তিৰোতাগৰাকীৰ এটি মধুৰ ব্যক্তিত্ব আৰু চৰিত্ৰবলৰ প্ৰয়োজন। নতুন লেখকৰ শব্দৰ প্ৰতি থকা মোহৰ ক্ষেত্ৰতো ঠিক এই একে কথাকেই ক'ব পাৰি। এই মোহ নিতান্তই

স্বাভাৱিক, কিন্তু কোনো লেখকেই তাৰ দ্বাৰা অন্ধ হোৱা উচিত নহয়। তিৰোতাৰ দৈহিক ৰূপৰ দ্বাৰা আকৃষ্ট হোৱাৰ লগে লগে যেনেকৈ তেওঁৰ চাৰিত্ৰিক গুণাৱলীৰ প্ৰতিও সচেতন হৈ থকা প্ৰয়োজন, ঠিক তেনেকৈ নতুন লেখকে ধ্বনি মাধুৰ্যযুক্ত শব্দাৱলীৰ দ্বাৰা আকৃষ্ট হোৱাৰ লগে লগে তাৰ অৰ্থ-প্ৰকাশিকা শক্তিৰ প্ৰতিও সম্পূৰ্ণ সচেতন হৈ থকা প্ৰয়োজন। দৈহিক ৰূপত অন্ধ হৈ চৰিত্ৰহীনা তিৰোতাৰ প্ৰতি আকৃষ্ট হোৱাটো যেনেকৈ মূৰ্খামিৰ পৰিচায়ক, শব্দৰ সাংগীতিক ঝংকাৰ সৃষ্টিৰ কাৰণেই তাৰ অৰ্থ-গৌৰৱ বিসৰ্জন দিয়াটোও ঠিক তেনেকুৱাই মূৰ্খামিৰ পৰিচায়ক বুলি ক'ব পাৰি। এই একেটা উপমাকে আৰু এবেগেত টানি নি এই কথাও ক'ব পাৰি যে বয়স বাঢ়ি অহাৰ লগে লগে যেনেকৈ মানুহৰ চকুত তিৰোতাৰ ৰূপ-যৌৱনতকৈ তেওঁৰ ব্যক্তিত্ব আৰু নানাবিধ মানসিক গুণাৱলীহে অধিক আদৰণীয় হৈ দেখা দিয়ে, ঠিক তেনেকৈ বয়সৰ লগে লগে এজন শুদ্ধ পথেৰে আগবঢ়া লেখকৰ চকুত শব্দৰ অলংকাৰ-বাহুল্য বা বিলাসতকৈ তাৰ অৰ্থ-প্ৰকাশিকা শক্তিহে অধিক ধ্যানযোগ্য বিষয় হৈ উঠা উচিত। সেয়েই যদি হৈ নুঠে, তেন্তে বুজিব লাগিব যে, সেই লেখকজনৰ অকণো মানসিক বিকাশ ঘটা নাই বা তেওঁৰ লিখাতো কিবা সাৰ-পদাৰ্থ থকাৰ বৰ বেছি আশা নাই।

যি সকল শক্তিশালী লেখক, তেওঁলোকে সদায় প্ৰথম বয়সৰ এই মোহাবেশ জয় কৰিবলৈ সক্ষম হয়। তেওঁলোকৰ ৰচনাত ক্ৰম-বিৱৰ্তনৰ এটা স্পষ্ট ধাৰা আৱিষ্কাৰ কৰিব পাৰি। তেওঁলোকৰ প্ৰথম বয়সৰ ভাষা অতি মাত্ৰাই কাব্যধৰ্মী, আবেগময় আৰু অলংকাৰবহুল হ'লেও বয়সৰ লগে লগে আৰু চিন্তাশক্তি বাঢ়ি অহাৰ লগে লগে ভাষা সৰল আৰু নিৰ্মেদ হ'বলৈ আৰম্ভ কৰে আৰু অৱশেষত তাৰ পৰিণতি ঘটে সম্পূৰ্ণ নিৰলংকাৰ, সুমিত আৰু সৰল বাক্য-গাঁথনিত। বহুতো লেখকৰেই নিশ্চয় এই অভিজ্ঞতা আছে যে ভাটি বয়সত নিজৰ প্ৰথম বয়সৰ ৰচনা পঢ়ি অকলে অকলেই নিজৰ কাণ-মূৰ লাজত ৰঙা হৈ উঠে। তেওঁলোকে তেতিয়া ভাবি অবাক হয়ঃ 'এনে অদ্ভুত ৰংচঙীয়া ভাষা মই কেনেকৈ লিখিব পাৰিছিলোঁ?' ....আনকি বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে আজীৱন যুক্তিধৰ্মী ভাষাৰ অনুশীলন কৰা লেখকেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছেঃ "এই শতাব্দীৰ প্ৰথম ভাগতে এনে এটা সময় আছিল যি সময়ত অতি অলংকাৰপূৰ্ণ আৰু শ্ৰুতিমধুৰ ভাষা লিখাই আছিল মোৰ আদৰ্শ। এই সময়তেই মই 'The Free Man's Worship' নামৰ প্ৰবন্ধ লিখোঁ — যিটো প্ৰবন্ধৰ বিষয়ে মোৰ এতিয়াৰ ধাৰণা অকণো ভাল নহয়।"

উৎকৃষ্ট গদ্য-ৰচনা অতিশয় পৰিশ্ৰম সাপেক্ষ কাম। দীৰ্ঘদিনৰ অনুশীলন ব্যতিৰেকে কোনেও ভাল গদ্য লিখিব নোৱাৰে। আনহাতে এটা উৎকৃষ্ট গদ্যশৈলীয়েই এখন সমাজৰ মানসিক উন্নতিৰ মাপ-কাঠী বুলি ক'ব পাৰি। বিশেষকৈ আধুনিক যুগত শক্তিশালী গদ্যৰ

প্ৰয়োজন দিনে দিনে তীব্ৰতৰ হৈ আহিছে। যোৱা তিনিশ বছৰৰ অভূতপূৰ্ব বৈজ্ঞানিক সাধনাৰ ফলস্বৰূপে আমি বিশ্বজগত সম্পৰ্কে যি বিপুল পৰিমাণৰ জ্ঞান অৰ্জন কৰিছোঁ, সেই জ্ঞান সমাজৰ প্ৰতিজন মানুহৰ মাজত বিতৰণ কৰি দিবলৈ এটা অতি সৰল, যুক্তিধৰ্মী আৰু সঠিক অৰ্থ প্ৰকাশক গদ্যৰীতিৰ প্ৰয়োজন। দ্বিতীয়তে, এই গণতান্ত্ৰিক যুগত মানৱ সমাজৰ সকলো কাম-কাজ যুক্তি নিৰ্ভৰ আলাপ-আলোচনাৰ মাধ্যমেদি চলাবলগীয়া হোৱাত ভাষাৰ কান্ধতে অতীতৰ সকলো যুগতকৈ অধিক দায়িত্ব আহি পৰিছে আৰু গদ্য লেখকৰ কামো আগতকৈ বহুত কঠিন হৈ পৰিছে। গতিকে এখন সমাজক আগবঢ়াই নিবলৈ হ'লে সেই সমাজৰ ভাষাৰ আৰু গদ্য-ৰীতিৰ বিকাশৰ প্ৰতি যথোচিত মনোযোগ দিয়াতো একান্ত প্ৰয়োজনীয় বুলি বিবেচনা কৰা উচিত।

ভাল গদ্য লিখিবলৈ হ'লে শক্তিশালী গদ্য-লেখকৰ উপদেশ আৰু আৰ্হি অনুসৰণ কৰাই একমাত্ৰ পন্থা। এইচ্ জি ওৱেল্‌চে কয় ঃ "আমি যেনেকৈ খোজ কাঢ়ো, ঠিক তেনেকৈয়ে গদ্য লিখা উচিত। কোনোবা এখন ঠাইলৈ যাবলৈ বুলি খোজ কাঢ়ি ওলাওঁতে আমি আটাইতকৈ পোন বাটটোহে লওঁ; গৈ থাকোঁতে আমি বাটৰ পৰা কাষৰি কাটি বা জঁপিয়াই বা নাচি নাচি নাযাওঁ। আমি লিখোঁতেও কিবা এটা বিশেষ কথা ক'বৰ কাৰণেহে বা এটা বিশেষ অৰ্থ প্ৰকাশ কৰিবৰ কাৰণেহে লিখোঁ। গতিকে আমি এনেভাৱে লিখা উচিত যাতে অতি সোনকালে আৰু কম কথাতে আমাৰ লিখাত সেই অৰ্থটো ফুটি উঠে।"

'কেনেকৈ লিখা উচিত' — সেই সম্পৰ্কে মই নিজে আদৰ্শ হিচাপে গ্ৰহণ কৰা কেইজনমান লেখকৰ উপদেশ তলত উদ্ধৃত কৰিলোঁ। নতুন লেখকসকলে উপদেশ কেইটাৰ বিষয়ে বিবেচনা কৰি চাব পাৰে।

জৰ্জ অৰৱেলৰ মতে—(১) "এবষ্ট্ৰেক্ শব্দতকৈ কন্‌ক্ৰীট্ শব্দ বেছি ভাল", (২) "যি কোনো কথা ক'বৰ কাৰণে সংক্ষিপ্ততম পথটোৱেই হ'ল সৰ্বোৎকৃষ্ট পথ", (৩) "স্পষ্ট ভাষাৰ আটাইতকৈ ডাঙৰ শত্ৰু হ'ল কৃত্ৰিমতা। যেতিয়া মানুহৰ মুখৰ কথা আৰু মনৰ কথাৰ মিল নাথাকে তেতিয়াই মানুহে স্বাভাৱিকভাৱেই দীঘলীয়া শব্দ আৰু জটিল বাক্য-গাঁথনিৰ আশ্ৰয় লয়।"

বাৰ্ট্ৰাণ্ড্ ৰাছেলৰ উপদেশ — (১) "যেতিয়া এটা চুটি শব্দৰ দ্বাৰাই তোমাৰ কাম চলে, তেনে স্থলত এটা দীঘল শব্দ কেতিয়াও ব্যৱহাৰ নকৰিবা"; (২) "যেতিয়া তুমি বহুতো ব্যাখ্যাযুক্ত এটা বক্তব্য প্ৰকাশ কৰিব খোজা, তেতিয়া কেইটামান ব্যাখ্যা একেটা বাক্যতে নিদি বেলেগ বেলেগ বাক্যত ভাগ কৰি দিবা"; (৩) "বাক্যটোৰ আৰম্ভণি আৰু শেষৰ মাজত যাতে কোনো বিৰোধ নাথাকে তাৰ প্ৰতি সদায় দৃষ্টি ৰাখিবা।"

ৰবাৰ্ট লীণ্ডে কয় —"লিখাৰ বিষয়ে আটাইতকৈ নিৰাপদ নিয়ম হ'ল এইটোৱেই যে

তুমি ঠিক যিটো কথা ক'ব খোজা ঠিক তাকেই লিখিবা। তাৰ দ্বাৰা যদি বাক্যৰ চেহেৰাটো দেখনীয়াৰ হৈ নুঠেও, তালৈ ভ্ৰূক্ষেপ নকৰিবা। যদি অৰ্থই বাক্যক তাৰ সুষমা নিদিয়ে, অভিধানৰ আটাইবোৰ ধ্বনি মুখৰ শব্দয়ো তাক সেই সুষমা দিব নোৱাৰে।"

মই নিজে ভাবোঁ যে আদৰ্শ গদ্য হোৱা উচিত এখন সুনিৰ্মিত পকী বেৰৰ নিচিনা। ঘৰৰ এখন বেৰত যেনেকৈ এচটা ইটা বেছি বা কম হ'বৰ উপায় নাই বা এঠাইৰ পৰা আন ঠাইলৈ লৰচৰ হ'বৰ উপায় নাই, সুলিখিত গদ্যতো তেনেকৈ এটা শব্দ কম বা ভুলভাৱে স্থাপিত হ'বৰ কোনো উপায় নাই।